Total No. of Printed Pages—11

**4 SEM TDC GECH/CHMN (CBCS)**

**GE/DSC 4**

**2 0 2 4**

( May/June )

CHEMISTRY

( Generic Elective/
Discipline Specific Course )

Paper : GE–4/DSC–4

**( Transition Metals, Coordination Chemistry )**

*Full Marks* : 27+26=53

*Pass Marks* : 21

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

## SECTION—A

**( Inorganic Chemistry )**

( *Marks* : 27 )

1. শুদ্ধ উত্তৰটো বাচি উলিওৱা : 1×5=5

Choose the correct answer :

(a) লেন্থেনাইড শ্ৰেণীৰ সকলো মৌলই দেখুওৱা জাৰণ অৱস্থাটো হ'ল

The common oxidation state of all the elements in lanthanide group is

*(i)* +2

*(ii)* +3

*(iii)* +4

*(iv)* +2 আৰু +4 দুয়োটা

Both +2 and +4

*(b)* $[Ti(H_2O)_6]^{3+}$ যৌগটোত, Tiৰ ইলেক্ট্ৰনীয় বিন্যাসটো হৈছে

In $[Ti(H_2O)_6]^{3+}$ complex, the electronic configuration of Ti is

*(i)* $d^1$

*(ii)* $d^2$

*(iii)* $d^3$

*(iv)* $d^5$

*(c)* তলৰ কোনটো দ্বিদন্তীয় লিগাণ্ড হয়?

Which of the following is a bidentate ligand?

*(i)* ট্ৰাইফিনাইল ফছফিন

Triphenyl phosphine





*(ii)* অক্সালেট

oxalate

*(iii)* EDTA

*(iv)* নাইট্ৰাইট-N

Nitrite-N

*(d)* $K_2[Pt(NCS)_6]$ত Ptৰ জাৰণ সংখ্যা হ'ব

The oxidation number of Pt in $K_2[Pt(NCS)_6]$ is

*(i)* 2

*(ii)* 4

*(iii)* 3

*(iv)* 6

*(e)* তলত দিয়া কোনটো আয়ন বৰণহীন?

Which of the following ions is colourless?

*(i)* $Sc^{2+}$

*(ii)* $Zn^{2+}$

*(iii)* $Ti^{3+}$

*(iv)* $Fe^{3+}$

## UNIT—I

2. তলৰ প্ৰশ্নবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া : 2×3=6

Answer any *three* of the following questions :

(a) লিগাণ্ড এটাৰ ডেন্টিটিটি বুলিলে কি বুজা? এটা ষড়দন্তীয় লিগাণ্ডৰ উদাহৰণ দিয়া। 1+1=2

What do you mean by denticity of a lig[illegible] Give example of a hexadentate lig[illegible].

*নাইবা / Or*

এটা বাইডেন্টেট লিগাণ্ড আৰু এটা ট্ৰাইডেন্টেট লিগাণ্ডৰ নাম আৰু সূত্ৰ লিখা। 1+1=2

Write the name and formula of a bidentate ligand and a tridentate ligand.

(b) তলত দিয়াবোৰৰ IUPAC বিধি অনুসৰি নাম লিখা : 1×2=2

Write the IUPAC names of the following :

(i) $[CoCl_2(en)_2]Cl$

(ii) $K_4[Fe(CN)_6]$





(c) $[Cr(ox)_3]^{3-}$ আয়নৰ সমযোগিতাৰ বিষয়ে আলোচনা কৰা। 2

Discuss the isomerism shown by $[Cr(ox)_3]^{3-}$.

(d) বৰ্ণালী ৰাসায়নিক শ্ৰেণীৰ ওপৰত চমুকৈ আলোচনা কৰা। 2

Discuss briefly about spectrochemical series.

3. তলৰ প্ৰশ্নবোৰৰ যি কোনো দুটাৰ উত্তৰ দিয়া : 2×2=4

Answer any *two* of the following questions :

(a) লেটিমাৰ চিত্ৰ মানে কি বুজা? ইয়াৰ দুটা ব্যৱহাৰ উল্লেখ কৰা। 1+1=2

What do you mean by Latimer diagram? Mention two applications of this diagram.

(b) Zn, Cd আৰু Hgৰ যৌগবোৰ কিয় বৰণহীন? Crৰ ইলেক্ট্ৰনীয় বিন্যাস লিখা। 1+1=2

Why do the complexes of Zn, Cd and Hg are colourless? Write the electronic configuration of Cr.

(c) লেন্থেনাইড শ্ৰেণীৰ মৌলবোৰৰ বৰণ আৰু চুম্বকীয় ধৰ্মৰ ওপৰত এটা টোকা লিখা। 1+1=2

Write a note on the colour and magnetic properties of lanthanides.

## UNIT—II

**4.** তলৰ প্ৰশ্নবোৰৰ যি কোনো দুটাৰ উত্তৰ দিয়া : 3×2=6

Answer any *two* of the following questions :

*(a)* যোজ্যতা বান্ধনি তত্ত্বৰ সহায়ত $[Ni(CN)_4]^{2-}$ৰ গঠন ও চুম্বকীয় ধৰ্ম ব্যাখ্যা কৰা। 3

Explain the structure and magnetic property of $[Ni(CN)_4]^{2-}$ in the light of valence bond theory.

*(b)* আয়নকৰণ সমযোগিতা আৰু হাইড্ৰেট সমযোগিতা মানে কি? উদাহৰণ দি বুজোৱা। 1½+1½=3

What are ionization isomerism and hydrate isomerism? Explain with examples.

*(c)* তলত দিয়া সংকুল যৌগবোৰৰ সংকেত লিখা : 1×3=3

Write down the formula of the following coordination complexes :

*(i)* পেন্টাএমাইন এজিদ' ক'বাল্ট (III) ছালফেট

Pentaamine azido cobalt (III) sulphate

*(ii)* টেট্ৰাফ্লুওৰ' অক্স'ক্ৰমেট (IV) আয়ন

Tetrafluoro oxochromate (IV) ion

*(iii)* পেন্টাএমাইন ব্ৰ'মিড' ক্ৰ'মিয়াম (III) ক্ল'ৰাইড

Pentaamine bromido chromium (III) chloride





## UNIT—III

**5.** তলৰ প্ৰশ্নবোৰৰ যি কোনো দুটাৰ উত্তৰ দিয়া : 3×2=6

Answer any *two* of the following questions :

*(a)* ক্ৰিষ্টেল ক্ষেত্ৰ সুস্থিৰতা শক্তি (CFSE) বুলিলে কি বুজা? তলৰ অষ্টফলকীয় ক্ৰিষ্টেল ক্ষেত্ৰৰ বাবে CFSE উলিওৱা : 1+2=3

What do you mean by crystal field stabilization energy (CFSE))? Calculate CFSE for the following octahedral crystal fields :

*(i)* $d^3$

*(ii)* $d^5$, high-spin

*(b)* ক্ৰিষ্টেল ক্ষেত্ৰ তত্ত্বৰ সহায়ত $[Mn(H_2O)_6]^{2+}$ যৌগটোৰ গঠন আৰু চুম্বকীয় ধৰ্ম আলোচনা কৰা। 3

Discuss the structure and magnetic property of $[Mn(H_2O)_6]^{2+}$ in the light of crystal field theory.

*(c)* জান-টেলাৰ বিচ্যুতিৰ ওপৰত এটা চমু টোকা লিখা। 3

Write a note on Jahn-Teller distortion.

## SECTION—B

**( Physical Chemistry )**

( *Marks* : 26 )

**6.** শুদ্ধ উত্তৰটো বাচি উলিওৱা : 1×3=3

Choose the correct answer :

*(a)* 'পইজ' এককটো জড়িত থকা তৰলৰ ধৰ্মটো হ'ল

The unit 'poise' is associated with the property of the liquid is

*(i)* পৃষ্ঠটান

surface tension

*(ii)* সান্দ্ৰতা

viscosity

*(iii)* বাষ্পীয় চাপ

vapour pressure

*(iv)* ওপৰৰ এটাও নহয়

None of the above

*(b)* প্ৰথম-ক্ৰমৰ বিক্ৰিয়াৰ গতি ধ্ৰুৱকৰ এককটো হ'ল

The unit of the rate constant of the first-order reaction is

*(i)* mol $L^{-1}$

*(ii)* mol $L^{-1}$ $s^{-1}$

*(iii)* $s^{-1}$

*(iv)* ওপৰৰ এটাও নহয়

None of the above





*(c)* অতি সম্ভাৱনীয় বেগৰ বাবে তলৰ কোনটো শুদ্ধ ?

Which of the following expressions is correct for most probable velocity?

*(i)* $\sqrt{\frac{3RT}{M}}$

*(ii)* $\sqrt{\frac{2RT}{M}}$

*(iii)* $\sqrt{\frac{8RT}{\pi M}}$

*(iv)* ওপৰৰ এটাও নহয়

None of the above

**7.** তলৰ প্ৰশ্নবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া : 2×3=6

Answer any *three* of the following questions :

*(a)* এক ম'ল গেছৰ বাবে ভান্ ডাৰ ৱাল্‌চৰ সমীকৰণটো লিখা। *a* আৰু *b* ধ্ৰুৱকৰ এককবোৰ লিখা। 1+1=2

Write the van der Waals' equation for one mole of gas. Write the units of the constants *a* and *b*.

*(b)* সান্দ্ৰতা গুণাংকৰ সংজ্ঞা দিয়া। পৰীক্ষাগাৰত তৰলৰ সান্দ্ৰতা নিৰ্ণয় কৰা সঁজুলিবিধৰ নাম কি ? 1+1=2

Define coefficient of viscosity. What is the name of the apparatus used to determine the viscosity of a liquid in laboratory?

(c) ফ্ৰেংকেল ক্ৰুটিৰ ওপৰত এটি চমু টোকা লিখা। 2

Write a short note on Frenkel defect.

(d) বিক্ৰিয়াৰ অৰ্দ্ধ-জীৱনকালৰ সংজ্ঞা দিয়া। প্ৰথম-ক্ৰমৰ বিক্ৰিয়াৰ বাবে অৰ্দ্ধ-জীৱনকালৰ প্ৰকাশৰাশি লিখা। 1+1=2

Define half-life period of a reaction. Write the expression for half-life period of a first-order reaction.

8. তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া : 3×4=12

Answer any *four* of the following questions :

(a) পৰীক্ষাগাৰত এটা তৰলৰ পৃষ্ঠটান নিৰ্ণয়ৰ এটা পদ্ধতি বৰ্ণনা কৰা। 3

Describe a method of determining surface tension of a liquid in laboratory.

(b) গড় মুক্ত পথৰ সংজ্ঞা দিয়া। ইয়াৰ ওপৰত চাপ আৰু উষ্ণতাৰ প্ৰভাৱৰ বিষয়ে লিখা। 1+2=3

Define mean free path. Discuss the effect of pressure and temperature on it.

(c) ব্ৰাগৰ সমীকৰণটো উপপাদন কৰা। 3

Deduce Bragg's equation.

(d) প্ৰথম-ক্ৰমৰ বিক্ৰিয়াৰ বাবে অনুকলিত গতি সমীকৰণটো উপপাদন কৰা। এটা প্ৰথম-ক্ৰম বিক্ৰিয়াৰ উদাহৰণ দিয়া। 2+1=3





Deduce the integrated rate equation for a first-order reaction. Give one example of first-order reaction.

(e) বিক্ৰিয়াৰ ক্ৰম নিৰ্ণয়ৰ এটা পদ্ধতি বৰ্ণনা কৰা। 3

Describe a method of determining order of a reaction.

9. তলৰ প্ৰশ্নবোৰৰ যি কোনো এটাৰ উত্তৰ দিয়া : 5

Answer any *one* of the following questions :

(a) (i) উষ্ণতা বাঢ়ি যোৱাৰ লগে লগে গেছৰ সান্দ্ৰতাও বৃদ্ধি পায়। ব্যাখ্যা কৰা। 2

Viscosity of a gas increases with increase in temperature. Explain.

(ii) তৰল স্ফটিকৰ ওপৰত এটা চমু টোকা লিখা। 3

Write a short note on liquid crystal.

(b) (i) তৰলৰ পৃষ্ঠটানৰ ওপৰত উষ্ণতাৰ প্ৰভাৱ সম্বন্ধে লিখা। 2

Write the effect of temperature on the surface tension of a liquid.

(ii) ভান্ ডাৰ ৱাল্‌চৰ সমীকৰণৰ পৰা ক্ৰান্তীয় ধ্ৰুৱকৰ প্ৰকাশৰাশি উপপাদন কৰা। 3

Deduce the expression for critical constants from van der Waals' equation.

★★★